জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৫২/২০২০

# ৰাভা জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ১২ নৱেম্বৰ ঃ** আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাভা জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন দাবী আৰু সমস্যা সম্পৰ্কত এক আলোচনাত মিলিত হয়। বৈঠকত ৰাভা স্বায়ত্ত শাসিত পৰিষদখনক শক্তিশালী কৰা, পৰিষদলৈ পুঁজি যোগান, ৰাভা স্বায়ত্ত শাসিত পৰিষদ এলেকাৰ বিদ্যালয়ত ৰাভা ভাষাৰ পাঠ্যক্ৰম ইত্যাদি বিভিন্ন সমস্যা সম্পৰ্কত সংগঠন কেইটাৰ প্ৰতিনিধিসকলে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাভা জনগোষ্ঠীৰ সমস্যাসমূহ ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে সমাধানৰ বাবে প্ৰয়াস কৰিব। বৈঠকত বিত্ত, স্বাস্থ্য, লোক নিৰ্মাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰে ৰাভা জনগোষ্ঠীৰ উন্নয়ন সাধন কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কে কয়।

আজিৰ এই বৈঠকত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, ৰাভা ছাত্ৰ সন্থা, সদৌ ৰাভা কৃষ্টি সংঘ, ষষ্ঠ অনুসূচী দাবী সমিতি, সদৌ ৰাভা মহিলা পৰিষদ, সদৌ ৰাভা সাহিত্য পৰিষদৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী আৰু আয়ুক্ত সচিব এম এছ মনিৰন্নন প্ৰমুখ্য কৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১২/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in